# অসম বিধান সভা

**মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা**

**বৃহস্পতিবাৰ, ৯ জুলাই, ২০২৬**

**বিদ্যালয় শিক্ষা, উচ্চ শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম), তথ্য প্ৰযুক্তি, সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান, এক্ট ইষ্ট পলিচি এফিয়াৰচ, খাদ্য, ৰাজহুৱা বিতৰণ ও উপভোক্তা পৰিক্ৰমা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, সমবায়।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয় ঃ* **অসমৰ উচ্চ শিক্ষা আৰু প্ৰাদেশিকীকৰণ সম্পৰ্কে।**

মোঃ আশ্ৰাফুল ইছলাম শ্বেখ ঃ

* ৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পৰ্বতঝোৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত এখনো আদৰ্শ বিদ্যালয় স্থাপন হোৱা নাই, চৰকাৰ অৱগতনে?

(খ) মহামায়া ডিগ্ৰী কলেজখন, দেবীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়খন কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব?

(গ) অসমৰ মুঠ কিমান সংখ্যক ভেঞ্চাৰ স্কুল আছে আৰু সেই স্কুল সমূহ চৰকাৰে কেতিয়া প্ৰাদেশিকীকৰণ কৰিব?

*বিষয় ঃ* **খোৱাপানীৰ অভাৱ সন্দৰ্ভত**

শ্ৰী বিজয় কুমাৰ গুপ্তা ঃ

* ৬২। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৩৬ নং মধ্য গুৱাহাটী সমষ্টিৰ অন্তৰ্গত ৱাৰ্ড নং ১১, ১২, ১৩, ২৭ আৰু ২১ এই ৫ টা ৱাৰ্ডত ৰাইজৰ খোৱাপানীৰ অভাৱত আজি বহুদিন ধৰি জীয়াতু ভুগিবলগা হৈ থকাৰ কথাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত তেন্তে অতি সোনকালে উক্ত এলেকাবোৰত খোৱাপানী যোগানৰ বাবে কিবা ব্যৱস্থা হাতত ল'বনে?

(গ) যদি লয়, কেতিয়াৰ পৰা কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'ব?

*বিষয় ঃ* **স্থায়ী অধ্যক্ষ আৰু স্নাতকোত্তৰ শিক্ষক নিযুক্তি সম্পৰ্কে।**

শ্ৰী মজিবুৰ ৰহমান ঃ

* ৬৩। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে ২০২১ বৰ্ষত উচ্চ মাধ্যমিক বিদ্যালয় (High School) উচ্চতৰ মাধ্যমিকলৈ (Higher Secondary) উন্নীত কৰণ কৰা বিদ্যালয় সমূহত স্থায়ী অধ্যক্ষ (Principal) আৰু স্নাতকোত্তৰ শিক্ষক Post Graduate Teacher (PGT) নিযুক্তি দিয়াৰ কিবা ব্যৱস্থা কৰিছে নে? যদি কৰিছে, উক্ত বিদ্যালয় সমূহত স্থায়ীভাৱে অধ্যক্ষ আৰু শিক্ষক নিযুক্তি কেতিয়ালৈ দিব?

(সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) অসমৰ প্ৰতিখন জিলাৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত (High and Higher Secondary School) বৰ্তমান কৰ্মৰত কিমানজন কাৰ্য্যালয় সহায়ক (Office Assistant) আছে? তেখেতসকলৰ পদোন্নতি সম্পৰ্কে (জ্যেষ্ঠতাৰ ভিত্তিত) চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নে? যদি কৰিছে, কেতিয়ালৈকে তেওঁলোকৰ পদোন্নতি হ'ব? জিলা ভিত্তিত জ্যেষ্ঠতাৰ সবিশেষ তালিকা সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **বাওখুংগৰী LAC ত Digital Connectivity উন্নয়ন।**

শ্ৰী ৰূপম চন্দ্ৰ ৰয় ঃ

* ৬৪। মাননীয় তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বাওখুংগৰী LAC- ৰ ভিতৰুৱা অঞ্চল সমূহত Mobile network, Internet connectivity আৰু digital access অধিক শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহ আৰু আগন্তুক পৰিকল্পনা সদনত দাখিল কৰিব নেকি?

*Subject :* **Single Teacher in Primary School.**

M. Badruddin Ajmal :

* 65. Will the Minister of School Education Department be pleased to state :

a) Currently how many primary schools are there in Assam ? Please give district wise nos of schools.

b) How many primary schools are there in Hojai district as well as in Binnakandi Constituency ?

c) How many primary schools are running with a single teacher in Binnakandi Constituency ? Please furnish list of schools and teachers.

d) What is the Government's instruction for continuing schools when single teacher asks for election or any other departmental duty or training ?

(e) Has the Government taken steps for class-wise teacher recruitment in these schools ? Please give in detail.

*বিষয় ঃ* **ৰেচন কাৰ্ড আৰু ইয়াৰ Guide Line সম্পৰ্কে।**

শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

* ৬৬। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান সৰ্বমুঠ কিমান সংখ্যক ৰেচন কাৰ্ড আছে আৰু কিমান সংখ্যক পৰিয়ালৰ আছে?

(খ) এই সৰ্বমুঠ কাৰ্ডৰ অধীনত কিমান সংখ্যক জনতাক সাঙুৰি লৈছে? তথ্য দিব।

(গ) ধুবুৰী জিলাৰ অন্তৰ্গত গৌৰীপুৰ সমষ্টিত বহু দুখীয়া পৰিয়ালে ৰেচন কাৰ্ড পোৱা নাই, এই বিষয়ে চৰকাৰ অৱগতনে? এনেকুৱা কিমান পৰিয়াল আছে তথ্য দিব আৰু লগতে এইবোৰ পৰিয়ালে অহা দিনত ৰেচন কাৰ্ড পোৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে? যদি কৰে, কেতিয়ালৈকে কৰিব? জনাব।

(ঘ) কি কি গাইডলাইন বা SOP মৰ্মে ৰেচন কাৰ্ড শেহতীয়াকৈ প্ৰস্তুত কৰা হৈছে? বিতং তথ্য জনাব।

(ঙ) এই বিভাগৰ মতে এটা পৰিয়ালৰ সংজ্ঞা কি? এটা পৰিয়াল ন্যূনতম আৰু সৰ্বাধিক কিমান সদস্যৰে গঠিত হয়?

(চ) জিলা আৰু ব্লক পৰ্য্যায়ৰ বাচনি কমিটীৰ Guide line বিতং ভাবে সদনত উল্লেখ কৰিব।

(ছ) চৰকাৰে এই বিভাগৰ জৰিয়তে ৰেচন কাৰ্ড হিতাধিকাৰীক আগন্তুক দিনত আৰু নতুনকৈ কিবা আঁচনিৰ জৰিয়তে উপকৃত কৰাৰ ব্যৱস্থা ল'বনে? দালি, চেনী আৰু নিমখ বিতৰণ এতিয়া বন্ধ হৈ আছে, উক্ত সামগ্ৰীবোৰৰ বিতৰণ কেতিয়াৰ পৰা আৰম্ভ হ'ব?

*Subject :* **Higher education infrastructure, Introduction of new streams, Coaching centre.**

Shri Aminur Rashid Choudhury :

* 67. Will the Minister of Higher Education Department be pleased to state :

a) Will the Govt. take necessary steps to improve the infrastructure of Nilambazar College, the only degree college in South Karimganj LAC and introduce Science and Commerce streams in addition to the existing Humanities, so that students of the constituency have wider range of higher education opportunities ?

b) Whether the Govt. is aware of the lack of Coaching centres for competitive examinations like JEE, NEET, UPSC, APSC in Sribhumi district, forcing students to relocate to distant cities ?

c) Whether the Govt will consider setting up a state sponsored

coaching centre or partnering with reputed institutes under a public-private partnership model in Sribhumi to support meritorious students as well as the under privileged ones ?

*বিষয় ঃ* **বিদ্যালয় সম্পৰ্কে**

ডাঃ আচিফ মঃ নাজাৰ ঃ

* ৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত থকা সৰ্বমুঠ চৰকাৰী প্ৰাথমিক বিদ্যালয়, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা কিমান?

(খ) এই বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে ৩০ঃ১ হিচাপত শিক্ষক নোহোৱা বিদ্যালয়ৰ সংখ্যা কিমান?

(গ) ইয়াৰে কিমান সংখ্যক বিদ্যালয়ত কম্পিউটাৰ শিক্ষাৰ ব্যৱস্থা আছে?

(ঘ) সকলো বিদ্যালয়তে পৃথক শ্ৰেণী কোঠাৰ ব্যৱস্থা আছে নে? নথকা বিদ্যালয়ৰ সংখ্যা দিব।

(ঙ) বিদ্যালয় সমূহত স্থায়ী প্ৰধান শিক্ষকৰ ব্যৱস্থা আছে নে?

*বিষয় ঃ* **শিক্ষানুষ্ঠান সমূহৰ প্ৰাদেশিকীকৰণ**

ড° জয় প্ৰকাশ দাস ঃ

* ৬৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) The Assam Education (Provincialisation of services of Teachers and Re-organisation of Educational Institutions) Amendment Act, 2025 অনুসৰি কিমানখন LP, ME, High School, Senior Secondary School আৰু Degree College প্ৰাদেশিকীকৰণৰ আওঁতাত পৰিছে?

(খ) উক্ত আইনৰ আওঁতাত পৰা শিক্ষানুষ্ঠানসমূহৰ প্ৰাদেশিকীকৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) যদি কৰিছে, তেন্তে কেতিয়ালৈকে প্ৰাদেশিকীকৰণ সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে?

(ঘ) নাওবৈচা সমষ্টিত বিগত সময়ছোৱাত কিমানখন চৰকাৰী বিদ্যালয় বন্ধ কৰা হৈছে?

(ঙ) নাওবৈচা সমষ্টিৰ অন্তৰ্গত ৰেগাম সোৱণশিৰি কলেজ, মিৰি জীয়ৰী কলেজ আৰু বছাগাঁও হায়াৰ ছেকেণ্ডাৰী স্কুলৰ দৰে শিক্ষানুষ্ঠান সমূহ কেতিয়ালৈ প্ৰাদেশিকীকৰণ কৰা হ'ব?

*বিষয় ঃ* **পানী নিষ্কাশন, আৱৰ্জনা ব্যৱস্থাপনা আৰু যান-জঁট সমস্যা।**

ড° তপন দাস ঃ

*৭০। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিমৰীয়া সমষ্টিৰ মহানগৰ সংলগ্ন অঞ্চলসমূহত জলাবদ্ধতা দূৰ কৰিবলৈ চৰকাৰে কি স্থায়ী পৰিকল্পনা গ্ৰহণ কৰিছে?

(খ) দ্ৰুত নগৰায়নৰ ফলত সৃষ্টি হোৱা পানী নিষ্কাশন, আৱৰ্জনা ব্যৱস্থাপনা আৰু যান-জঁট সমস্যা সমাধানৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **বন্ধ হৈ থকা বিদ্যালয়সমূহৰ সন্দৰ্ভত**

শ্ৰী ধীৰাজ গোৱালা ঃ

*৭১। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

তিতাবৰ সমষ্টিৰ অন্তৰ্গত বহু বিদ্যালয় একত্ৰীকৰণৰ ফলত বন্ধ হৈ গ'ল আৰু বিদ্যালয়সমূহ পৰিত্যক্ত অৱস্থাত আছে। উক্ত বিদ্যালয়সমূহত বহু সমাজ বিৰোধী কাম চলি থকা বুলি অৱগত হৈছে, গতিকে এই বন্ধ হৈ থকা বিদ্যালয়সমূহত ভবিষ্যতে অন্যান্য ৰাজহুৱা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত কিবা সু-পৰিকল্পনা আছে নেকি?

*বিষয় ঃ* **পলাশবাৰী সমষ্টিত জনজাতীয় এলেকাত মহাবিদ্যালয় নিৰ্মাণ সম্পৰ্কে।**

শ্ৰী হিমাংশু শেখৰ বৈশ্য ঃ

*৭২। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

পলাশবাৰী সমষ্টিৰ অন্তৰ্গত লোহাৰঘাট, বাগান, চানডুবি আদি ঠাই জনজাতীয় প্ৰধান অঞ্চল। উক্ত অঞ্চল সমূহত উচ্চ শিক্ষাৰ বাবে এখন মহাবিদ্যালয়ৰ প্ৰয়োজনীয়তা, এই অঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনীয়া দাবী। ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি লক্ষ্য ৰাখি এই জনজাতীয় এলেকাত এখন মহাবিদ্যালয় স্থাপনৰ লগতে ছাত্ৰ-ছাত্ৰীৰ আৱাস গৃহ দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **উচ্চ শিক্ষানুষ্ঠানৰ সমস্যা**

শ্ৰীমতী বেবী বেগম ঃ

*৭৩। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান চৰকাৰী সাহাৰ্য্যপ্ৰাপ্ত উচ্চ শিক্ষানুষ্ঠানৰ সংখ্যা কিমান? (উত্তৰৰ সৈতে জিলাভিত্তিক বিস্তৃত তালিকা সংলগ্ন কৰিব)

(খ) উক্ত শিক্ষানুষ্ঠান সমূহত শিক্ষক আৰু কৰ্মচাৰী পদৰ সংখ্যা কিমান? ইয়াৰে কিমানটা পদ খালী হৈ আছে? (উত্তৰৰ সৈতে শিক্ষানুষ্ঠানভিত্তিক বিস্তৃত তালিকা সংলগ্ন কৰিব)।

(গ) পৰ্যাপ্ত শিক্ষকৰ অভাৱত গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়ৰ কিছুমান বিভাগত শিক্ষাৰ্থীৰ নামভৰ্তিৰ সমস্যা হোৱাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, এইক্ষেত্ৰত কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে? শিক্ষক-কৰ্মচাৰীৰ খালী পদসমূহ কিমান দিনৰ ভিতৰত পূৰণ কৰা হ'ব? (উত্তৰ বিস্তৃত তথ্যসহ দিব)

(ঘ) স্নাতকোত্তৰ পৰ্য্যায়লৈকে বিনামূলীয়াকৈ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰে বিবেচনা কৰিব নে?

(ঙ) ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়খনক পূৰ্ণাংগ বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিব নে? যদি নকৰে, উত্তৰ বিস্তৃত তথ্যসহ দিব।

*বিষয় ঃ* **গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিষয়ে।**

আবুল কালাম ৰশিদ আলম ঃ

*৭৪। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা পৌৰসভাত বৰ্তমানে কি কি আঁচনিৰ কাম চলি আছে আৰু কেতিয়াৰ

পৰা আৰম্ভ হৈছে আৰু কেতিয়া শেষ হ'ব? আঁচনি অনুযায়ী (Scheme wise) জনাব। ইয়াৰ কিমান টকা খৰচ হৈছে আৰু কিমান জমা আছে? তথ্য সহকাৰে জনাব।

(খ) ২০২০-২১ ৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ গোৱালপাৰা পৌৰসভাত Fifteen Finance ত কিমান টকা আবণ্টন দিয়া হৈছে আৰু সেই পুঁজিৰে কি কি কল্যাণমূলক আঁচনি লোৱা হৈছে? এই পুঁজিৰে বাছআস্থানৰ Existing Building ভাঙি ISI Bottling Plant (Packaged drinking water with added mineral) ৰ কাম কৰাৰ অনুমতি আছিল নে? এই Scheme ৰ নামত কিমান টকা আবণ্টন (Sanction) দিয়া হৈছিল? বৰ্তমানে Scheme টো চলি আছে নেকি? যদি চলি থকা নাই, কিয়? তথ্য সহকাৰে জনাব।

(গ) Fifteen Finance ৰ Tied Fund ৰ দ্বাৰা কি কি কাম কৰা হৈছে আৰু কি কি কাম কৰি আছে? এই কামবোৰ কোন কোন ঠিকাদাৰ বা প্ৰতিষ্ঠানৰ দ্বাৰা কৰা হৈ আছে? তথ্য সহকাৰে জনাব।

(ঘ) ২০২০-২১ ৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ গোৱালপাৰা পৌৰসভাৰ অন্তৰ্গত বিভিন্ন হাট-ঘাট, দোকান, ঘৰ ভাড়া ইত্যাদি বিভিন্ন উৎসৰ পৰা কিমান টকা কৰ কাটল (Municipality Own Fund) সংগ্ৰহ কৰিছে? ইয়াৰ পৰা কোন কোন শিতানত কিমান টকা খৰচ কৰিছে আৰু কিমান টকা জমা আছে, তালিকাসহ তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **অসমৰ ছয়জনগোষ্ঠীৰ জনজাতিকৰণ।**

শ্ৰী চক্ৰধৰ গগৈ ঃ

*৭৫। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বাসকৰা ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সমস্যাটো সমাধান হ'বলৈ আৰু কিমান বছৰৰ প্ৰয়োজন হ'ব?

(খ) ছয় জনগোষ্ঠী সকলক জনজাতিকৰণ কৰাৰ ক্ষেত্ৰত বৰ্তমান কিবা আঁসোৱাহ আছে নেকি? যদি আছে, কেনেধৰণৰ জনাব।

(গ) অসম চৰকাৰৰ মন্ত্ৰী গোটৰ প্ৰতিবেদনত কেন্দ্ৰীয় চৰকাৰলৈ এই সমস্যা সমাধানৰ বাবে কেনে ধৰণৰ পৰামৰ্শ প্ৰেৰণ কৰিছে, সদনক অৱগত কৰিব। এই প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰে গ্ৰাহ্য কৰিছেনে? বিতংভাৱে জনাব।

*বিষয় ঃ* **১১৯ নং সোনাই বিধানসভার উচ্চ শিক্ষার সুবিধার সম্পর্কে।**

শ্ৰী আমিনূল হক লস্কর ঃ

*৭৬। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ১১৯ নং সোনাই বিধানসভায় নবনির্মিত মডেল রেসিডেন্সিয়াল স্কুল চালু করতে কবে থেকে নিয়োগ প্রক্রিয়া শুরু করা হবে?

(খ) সোনাই মডেল রেসিডেন্সিয়াল স্কুলে নতুন শিক্ষাবর্ষ কবে থেকে শুরু করা হবে?

(গ) ১১৯ নং সোনাই বিধানসভার বোয়ালি আই টি আইর নির্মাণ কাজ কখন সম্পন্ন হবে এবং কবে শিক্ষক নিয়োগ করা হবে?

(ঘ) বোয়ালি আই টি আই'তে কবে নতুন শিক্ষাবর্ষ শুরু করা হবে?

(ঙ) সোনাই বিধানসভার মাধব চন্দ্র দাস কলেজ এবং জনতা কলেজের বিজ্ঞান শাখার সর্বশেষ অবস্থা কি? এবং এই দুই কলেজে কতজনকে নিযুক্তি দেওয়া হয়েছে?

(চ) বিগত সরকারের আমলে আসামের প্রত্যেকটি বিধানসভার মডেল হাইস্কুলকে ৭.৫ কোটি করে টাকা দেওয়া হয়েছে। ১১৯ নং সোনাই বিধানসভার স্বাধীন বাজার মডেল হাইস্কুলকে তখন কেন বঞ্চিত করা হয়েছিল?

*Subject* : **Enforcement of MRP Regulation in Assam.**

Zubair Anam Mazumder :

* 77. Will the Minister of Food, Public Distribution & Consumer Affairs Department be pleased to state :

a) Whether the Government has conducted any assessment regarding the prevalence of sale of packaged commodities above the Maximum Retail Price (MRP) in Assam ?

b) Please furnish the number of inspections carried out by the consumer affairs and Legal Metrology authorities during the last five years, year-wise ;

c) The number of cases detected involving sale above MRP, along with the penalties imposed and prosecutions launched, Please furnish details year-wise ;

d) Whether the Government has received complains regarding organised supply chain practices that compels retailers to sell packaged commodities above MRP ?

e) What measures have been proposed to strengthen enforcement and protect consumers from overcharging ?

*বিষয়* ঃ **নতুন উদ্যোগ স্থাপন**

মোঃ নুৰুল ইছলাম ঃ

*৭৮। মাননীয় উদ্যোগ বাণিজ্য ও ৰাজহুৱা প্রতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানটা বৃহৎ, মজলীয়া আৰু ক্ষুদ্র উদ্যোগ আছে? ইয়াত কৰ্মৰত মুঠ শ্ৰমিক কৰ্মচাৰীৰ সংখ্যা কিমান? এই উদ্যোগবোৰত বছৰি কিমানজনকৈ অস্থায়ী শ্ৰমিকে কাম কৰে? (বৃহৎ আৰু মজলীয়া উদ্যোগবোৰৰ স্থাপনৰ তাৰিখ, কৰ্মৰত শ্ৰমিক-কৰ্মচাৰীৰ সংখ্যাৰ উল্লেখসহ জিলা ভিত্তিক তালিকা পৃথকে পৃথকে দাখিল কৰিব)

(খ) ৰাজ্যখনৰ বৃহৎ আৰু মজলীয়া উদ্যোগবোৰৰ ভিতৰত কিমানটা ৰাজহুৱা খণ্ডৰ, কিমানটা ব্যক্তিগত খণ্ডৰ আৰু কিমানটা যৌথখণ্ডৰ দ্বাৰা পৰিচালিত? (বিস্তৃত তথ্য দাখিল কৰিব)

(গ) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কিমানটা উদ্যোগ স্থাপনৰ বাবে কোন কোন কোম্পানীৰ সৈতে ৰাজ্য চৰকাৰৰ বুজাবুজি চুক্তি স্বাক্ষৰিত হৈছে? এই চুক্তি অনুসৰি কোন কোন কোম্পানীক কিমান ভূমি কিমান টকা হাৰত দিয়া হৈছে? ইয়াৰে কিমানটা কোম্পানীয়ে উদ্যোগ স্থাপন কৰিছে? এই কেইটা উদ্যোগত বৰ্তমান কিমান শ্ৰমিক-কৰ্মচাৰী কৰ্মৰত হৈ আছে? (বিস্তৃত তথ্য সহ দিব)

(ঘ) যোগীঘোপাৰ অশোক কাগজ কল আৰু নোৱাপাৰাস্থিত এসময়ৰ সূতা মিলৰ ভূমি কি চুক্তিৰ আধাৰত কোন কোন কোম্পানীক, কেতিয়া হস্তান্তৰ কৰা হৈছে? ইয়াত কোনো উদ্যোগ হৈছেনে? যদি হৈছে, ইয়াত কিমান শ্ৰমিক-কৰ্মচাৰীয়ে নিযুক্তি লাভ কৰিছে? (বিস্তৃত তথ্য দাখিল কৰিব)

*বিষয় ঃ* **খালী হৈ থকা পদ সম্পৰ্কে**

শ্ৰী আফতাব উদ্দিন মোল্লা ঃ

*৭৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ অন্তৰ্গত L.P School, ME School আৰু High School বোৰত খালী হৈ থকা পদবোৰৰ তথ্য চৰকাৰৰ হাতত আছে নে? যদি আছে, বিতং তথ্য জনাব।

(খ) জলেশ্বৰ সমষ্টিটোত এতিয়াও L.P School, ME School আৰু High School বোৰত খালী হৈ থকা পদবোৰ শ্ৰেণী বা ছাত্ৰ-ছাত্ৰী অনুপাতে কেতিয়া পূৰ কৰিব? তথ্য সহকাৰে জনাবলৈ চৰকাৰক অনুৰোধ জনালোঁ।

*বিষয় ঃ* **ছাত্ৰ-শিক্ষকৰ অনুপাত**

মোঃ নুৰুল হুদা ঃ

*৮০। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিদ্যালয় সমূহৰ শিক্ষাৰ প্ৰসাৰতাৰ বাবে চৰকাৰে লোৱা সিদ্ধান্ত ছাত্ৰ আৰু শিক্ষকৰ অনুপাত ৩০ ঃ ১ সম্পূৰ্ণ কৰা হৈছেনে? যদি হোৱা নাই, তেন্তে কিয়? তাৰ বিতং তথ্য সদনত দাখিল কৰিব।

(খ) ৰূপহীহাট বিধান সভা সমষ্টিৰ প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়, উচ্চ ইংৰাজী বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয় আদিত কোন কোন বিদ্যালয়ত কিমান শিক্ষক-শিক্ষয়িত্ৰীৰ পদ খালী হৈ আছে? প্ৰতিখন বিদ্যালয়ৰ বিপৰীতে খালী থকা শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যাৰ তালিকা সহ সদনত দাখিল কৰিব।

(গ) শিক্ষক-শিক্ষয়িত্ৰীৰ পদ সমূহ খালী হৈ থকাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাদানত ব্যাঘাত জন্মিছে গতিকে খালী থকা পদসমূহ পূৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে? জনাব।

---

A.G.P. (Mini) LAQ - 01/2026/713-600-03-07-2026